অসমীয়া প্ৰতিদিন
বৃহস্পতিবাৰ, ১৪ নৱেম্বৰ, ২০২৪/২৮ কাতি, ১৯৪৬ শক

# ডিব্ৰু মহাবিদ্যালয়ত ব্যতিক্ৰমী অনুষ্ঠান

# পাঁচ বিজ্ঞানীৰে শিক্ষাৰ্থীৰ মত বিনিময়

প্ৰতিদিন সংবাদ, ডিব্ৰুগড়, ১৩ নৱেম্বৰ ঃ আজি ডিব্ৰু মহাবিদ্যালয়ৰ ডিজিটেল কনফাৰেন্স কক্ষত ডিব্ৰু মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ উদ্যোগত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ জীৱ বিজ্ঞান বিভাগ আৰু বেটানিকেল ছ'চাইটি অব্ অসমৰ সহযোগত 'Meet the Scientist' শীৰ্ষক এক ব্যতিক্ৰমী অনুষ্ঠানৰ আয়োজন কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰাৰ উদ্দেশ্যৰে আয়োজিত এই অনুষ্ঠানটিত পাঁচজনকৈ ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বিশিষ্ট গৱেষক তথা বৈজ্ঞানিক উপস্থিত থাকে। সেইসকল জ্ঞানযোগী হৈছে ক্ৰমে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ প্ৰাধ্যাপক তথা মানৱ সংসাধন বিকাশ কেন্দ্ৰৰ নিৰ্দেশক প্ৰফেছৰ পাৰ্থ প্ৰতিম বৰুৱা, নেপালৰ ফৰেষ্ট এক্সন নামৰ এটি মানৱ কল্যাণকামী সংস্থাৰ কাৰ্যকৰ্তা তথা উদ্ভিদ বিজ্ঞানৰ গৱেষক ড° লীলানাথ শৰ্মা, বটানিকেল ছাৰ্ভে অব্ ইণ্ডিয়া, ছিকিমৰ বিজ্ঞানী ড° ৰাজীৱ গগৈ, বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° প্ৰশান্ত সিং আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ জীৱ বিজ্ঞান বিভাগৰ প্ৰাধ্যাপক ডেভিদ কাৰদং। আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক ড° ভিভিয়ান শইকীয়াই আঁত ধৰা উক্ত সভাত উপস্থিত থাকে অধ্যক্ষ, উপাধ্যক্ষাকে প্ৰমুখ্যে কৰি অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকল। সভাৰ আৰম্ভণিতে অধ্যক্ষ ড° ৰঞ্জন চাংমায়ে সকলোকে সম্বোধন কৰি আদৰণী ভাষণ প্ৰদান কৰে আৰু বিশিষ্ট ব্যক্তিসকলৰ সান্নিধ্য আৰু বক্তৃতাই ছাত্ৰ ছাত্ৰীসকলক জ্ঞানপিপাসু হ'বলৈ উৎসাহিত কৰিব বুলি মন্তব্য কৰে। অনুষ্ঠানটিত উপস্থিত বিশিষ্ট ব্যক্তিসকলৰ অন্যতম প্ৰফেছৰ পাৰ্থ প্ৰতিম বৰুৱাই সকলোকে গৱেষণাৰ প্ৰতি আগ্ৰহী হ'বলৈ আহ্বান জনাই কয় যে গৱেষণাৰ জৰিয়তে কোনো এটা বিষয় সম্বন্ধে নিজৰ দাৰ্শনিক দৃষ্টিভংগীক প্ৰতিষ্ঠিত কৰা হয়। তেওঁ ছাত্ৰ-ছাত্ৰীসকলকো গৱেষণাৰ প্ৰতি আগ্ৰহী হ'বলৈ উৎসাহিত কৰে। লগতে তেওঁ গৱেষণা প্ৰস্তাৱ কিদৰে প্ৰস্তুত কৰা উচিত সেই সম্বন্ধেও মন্তব্য আগবঢ়ায়। ড° লীলানাথ শৰ্মাই বৰ্তমানৰ ভৌগোলিক পৰিস্থিতি, জলবায়ু পৰিবৰ্তন ইত্যাদিৰ ওপৰত গুৰুত্ব আৰোপ কৰি উদ্ভিদ বিজ্ঞানৰ ওপৰত হৈ থকা গৱেষণামূলক অধ্যয়নে কিদৰে পৃথিৱীখনক বাসোপযোগী কৰি তোলাত সহায় কৰিব সেই সম্বন্ধে এক সাৰুৱা বক্তৃতা প্ৰদান কৰে। ড° ৰাজীৱ গগৈয়ে উত্তৰ-পূৰ্বাঞ্চলৰ বনস্পতিৰ বিষয়ে উল্লেখ কৰি ইয়াত কৰিব পৰা গৱেষণাৰ বিশাল পৰিধিৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰায় আৰু উত্তৰ-পুব ভাৰতৰ অমূল্য তথা দুৰ্লভ বনস্পতিসমূহ আৱিষ্কাৰ কৰি বৈশ্বিক মঞ্চত উপস্থাপন কৰিবলৈ উদ্‌গনি জগায়। উল্লেখ্য যে তেওঁ এইপৰ্যন্ত কলৰ বিভিন্ন প্ৰজাতি উত্তৰ-পূবৰ বনাঞ্চলত আৱিষ্কাৰ কৰিবলৈ সক্ষম হৈছে। ড° প্ৰশান্ত সিঙে চাইন' বেক্টেৰিয়াৰ ওপৰত তেখেতে কৰা প্ৰত্যাহ্বানযুক্ত গৱেষণাৰ অভিজ্ঞতাসমূহ বৰ্ণনা কৰে। লগতে তেওঁ বৰ্তমান উত্তৰ-পূব ভাৰতৰ বনস্পতিসমূহৰ ওপৰত কৰি থকা গৱেষণাৰ বিষয়েও চমু আভাস দিয়ে। ড° ডেভিদ কাৰদঙে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি এক উদগনিমূলক ভাষণ প্ৰদান কৰে। বিশিষ্ট ব্যক্তিসকলৰ বক্তব্যৰ পিচত ছাত্ৰ-ছাত্ৰীসকলে বিশিষ্ট অতিথিসকলৰ সৈতে মনৰ ভাব বিনিময় কৰে। শেষত আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহকাৰী সমন্বয়ক ড° ৰৌজলিন চিৰাজ ফাৰজিনা আখতাৰে সভাত উপস্থিত তথা অনুষ্ঠানটিৰ আয়োজনত জড়িত সকলোলৈ শলাগৰ শৰাই আগবঢ়ায়।